**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-JUNE-2026
**Time :** 12:05 HRS

***Assamese 12.05 PM Bulletin***

—————————————————

HEADLINES

১। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আজি দৰং আৰু শোণিতপুৰত পাইপযুক্ত প্ৰাকৃতিক গেছৰ যোগান তথা CNG প্ৰকল্প তথা ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধনৰ কাৰ্যসূচী।

২। ২৩ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে গ্ৰীণফিল্ড শ্বিলং-শিলচৰ কৰিডৰ বিকশাই তোলা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীৰ ঘোষণা।

৩। শিশুসকলৰ ডায়েৰীয়াজনিত মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ লক্ষ্যৰে আজিৰেপৰা ৰাজ্যজুৰি ডায়েৰীয়া ৰোধ অভিযান।

আৰু

৪। চলিত ফিফা বিশ্বকাপ ফুটবলত আজি হ'বলগীয়া খেলত ফ্ৰান্স ছেনেগালৰ আৰু ইৰাক নৰৱেৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মঙলদৈ আৰু তেজপুৰত পাইপযুক্ত প্ৰাকৃতিক গেছৰ যোগান প্ৰকল্প তথা উহানি পথাৰ আৰু গবৈমাৰীত দুটা CNG প্ৰকল্প ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰিব। জনসাধাৰণক নিৰাপদ আৰু স্বচ্ছভাৱে ইন্ধন যোগানৰ বাবে এই পদক্ষেপ লোৱা হৈছে। আজি বিয়লি চাৰে ৫ বজাত দিছপুৰৰ লোকসেৱা ভৱনৰ পৰা মুখ্যমন্ত্ৰীয়ে এই প্ৰকল্পকেইটাৰ শুভাৰম্ভ কৰিব। এই অনুষ্ঠানত মন্ত্ৰী বিমল বৰা আৰু শদিয়াৰ বিধায়ক বলিন চেতিয়া উপস্থিত থাকিব।

০০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰায় ২৩ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে গ্ৰীণফিল্ড শ্বিলং-শিলচৰ কৰিডৰ বিকশাই তোলা হ'ব বুলি ঘোষণা কৰিছে। কালি শ্বিলঙত উত্তৰ-পূব ভাৰত আন্তঃগাঁথনি সন্মিলন আৰু প্ৰদৰ্শনী মুকলি কৰি তেওঁ এইকথা ঘোষণা কৰে। তেওঁ কয়, যে ১৬৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই কৰিডৰ উত্তৰ-পূবৰ আন্তঃগাঁথনি ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব। এই কৰিডৰে শ্বিলং আৰু শিলচৰৰ মাজত যাত্ৰাৰ সময় ৫০ শতাংশ হ্ৰাস কৰাৰ লগতে ত্ৰিপুৰা, মিজোৰাম আৰু মণিপুৰৰ সৈতে যোগাযোগ শক্তিশালী কৰি তুলিব বুলি তেওঁ কয়। ইয়াৰ ফলত পৰ্যটন আৰু পৰিবহণ খণ্ডত উন্নয়ন হোৱাৰ লগতে অঞ্চলটোৰ সৰ্বাত্মক বিকাশ হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। এই অনুষ্ঠানত শ্ৰী গাডকাৰীয়ে ৮ হাজাৰ ৫০০ কোটি টকা ব্যয়সাপেক্ষ প্ৰস্তাৱিত, চাৰিটা লেনযুক্ত গ্ৰীণফিল্ড-যোৰাবাট-বৰাপানী কৰিডৰৰ বিষয়েও উল্লেখ কৰে। ৬৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই কৰিডৰে গুৱাহাটী আৰু শ্বিলঙৰ মাজত যোগাযোগ ব্যৱস্থা শক্তিশালী কৰাৰ লগতে মহানগৰ দুখনৰ মাজত যাত্ৰাৰ সময় আঢ়ৈ ঘণ্টাৰ পৰা এঘণ্টালৈ হ্ৰাস কৰিব বুলি মন্ত্ৰীগৰাকীয়ে কয়।

এই সন্মিলনৰ পৰাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মেঘালয়ত ৩৯ হাজাৰ ৮০০ কোটি টকা ব্যয়সাপেক্ষ ৪৫০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ কথাও ঘোষণা কৰে। সন্মিলনত তেওঁ ৩ হাজাৰ ২১৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া মেঘালয়ৰ ছটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পই পথ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ লগতে প্ৰান্তীয় অঞ্চললৈ যোগাযোগৰ সুবিধা তথা মেঘালয়কে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থ-সামাজিক বিকাশত অৰিহণা যোগাব বুলি আশা কৰা হৈছে। সন্মিলনত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি বিকাশ ক্ষেত্ৰত দিয়া গুৰুত্বৰ বিষয়ে উল্লেখ কৰে।

oooooo

ৰাজ্য চৰকাৰে মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰৱৰ্তন কৰা বিনামূলীয়া মাচুল আঁচনিৰ বাবদ চৰকাৰী মহাবিদ্যালয়সমূহক চলিত ২০২৫-২৬ শিক্ষা বৰ্ষত ব্যয়পূৰ্তিৰ ধন হিচাপে ইতিমধ্যে ২০৪ কোটি ৯৪ লাখ টকা মুকলি কৰি দিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এই তথ্য সদৰি কৰি কয়, যে বিগত ২০২৪-২৫ শিক্ষাবৰ্ষৰ বাবেও মহাবিদ্যালয়সমূহে মাচুলৰ বাবদ ব্যয় কৰা ধন সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহৰ বাবে মুকলি কৰি দিয়া হৈছে। ৰাজ্য চৰকাৰে মুঠ ৩০ কোটি টকাৰ এটা অৱশিষ্ট পৰিমাণৰ ধন মুকলি কৰিবলৈ বাকী আছে যদিও অসম বিধানসভাৰ বাজেট অধিৱেশন সমাপ্ত হোৱাৰ লগে লগে সেয়া মুকলি কৰা হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে অৱগত কৰে। আৰ্থিক অসুবিধাৰ বাবে ৰাজ্যৰ কোনো যোগ্য শিক্ষাৰ্থীয়ে উচ্চ শিক্ষা লাভৰ পৰা বঞ্চিত হ'বলগা নহয়, তাৰ বাবে ৰাজ্য চৰকাৰে বিনামূলীয়া মাচুল আঁচনি সফল ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ কয়।

oooooo

ৰাজ্যত লক্ষ্যণীয়ভাৱে বৃদ্ধি পোৱা প্ৰবঞ্চনামূলক কৰ প্ৰথা ৰোধ কৰিবলৈ বিত্ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কৰ বিভাগৰ বিষয়াসকলক তীক্ষ্ণ নিৰীক্ষণৰ নিৰ্দেশ দিছে। মন্ত্ৰীগৰাকীয়ে কালি কৰ ভৱনত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত অংশ লৈ বিভাগটোৰ কামকাজৰ মূল্যায়ণ কৰাৰ লগতে প্ৰযুক্তিচালিত ৰাজহ সংগ্ৰহৰ দিশটোত গুৰুত্ব আৰোপ কৰি প্ৰশাসনিক দক্ষতাৰ জৰিয়তে কৰ সংগ্ৰহৰ কৌশল তথা ৰাজহ বৃদ্ধিৰে ৰাজ্যক শক্তিশালী কৰাৰ দিশবোৰ আলোচনা কৰে। তেওঁ কৰ আয়ুক্তৰ কাৰ্যালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰা বিষয়াসকলৰ লগতো মত বিনিময় কৰে। সৎ কৰদাতা আৰু ব্যৱসায়ীসকলৰ ওপৰত অতিৰিক্ত কৰৰ বোজা নপৰাকৈ ৰাজ্যৰ বাবে ৰাজহ বৃদ্ধিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মন্ত্ৰীগৰাকীয়ে অসমৰ কৰদাতা আৰু জন সংখ্যাৰ অনুপাত ৰাষ্ট্ৰীয় গড়ৰ সামান্য তলত থকা বিষয়টো উল্লেখ কৰে। বিত্তমন্ত্ৰীগৰাকীয়ে এই ব্যৱধান চিনাক্ত কৰি ৰাজহ ঘাটি ৰোধ কৰিবলৈ নিৰীক্ষণ ব্যৱস্থাটো পূৰ্বতকৈ শক্তিশালী কৰাৰ নিৰ্দেশ দিয়ে। তেওঁ লগতে কৰ প্ৰতিবেদনত অস্বাভাৱিক ধাৰা বা অসামঞ্জস্যতা দেখুওৱা খণ্ড আৰু প্ৰতিষ্ঠানসমূহৰ ওপৰত বিশেষভাৱে নিৰীক্ষণৰ প্ৰয়োজনীয়তা আছে বুলি কয়। এই দিশত বিভাগীয় দক্ষতা, স্বচ্ছতা আৰু জবাবদিহিৰ ক্ষেত্ৰত প্ৰযুক্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

oooooo

শিশুসকলৰ ডায়েৰীয়াজনিত মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ লক্ষ্যৰে আজিৰে পৰা ৰাজ্যজুৰি ডায়েৰীয়া ৰোধ অভিযান অনুষ্ঠিত হৈছে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীৰ জৰিয়তে ORS আৰু জিংক পৰিপূৰকৰ ব্যৱহাৰ, অনাময় শৌচাগাৰৰ প্ৰয়োজনীয়তা তথা জন সচেতনতা বৃদ্ধি

সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে বিশেষ কাৰ্যপন্থা গ্ৰহণ কৰা হৈছে। অহা ৩১ জুলাইলৈ চলিবলগীয়া এই অভিযানৰ অংশ স্বৰূপে আজি দিনৰ ১১ বজাত শ্ৰী ভূমিৰ কৰিমগঞ্জ অসামৰিক চিকিৎসালয়ত উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত স্বাস্থ্য বিভাগৰ বিষয়া, চিকিৎসক, নাৰ্চ, আশা কৰ্মী আৰু বিভিন্ন স্তৰৰ স্বাস্থ্যকৰ্মীসকল উপস্থিত থাকে।

০০০০০০

দৰং জিলাৰ খাৰুপেটীয়াত যোৱানিশা আৰক্ষীয়ে মাদকদ্ৰব্যৰ বিৰুদ্ধে অভিযান চলাই বুজন পৰিমাণৰ মাদকদ্ৰব্য জব্দ কৰে। আৰক্ষীয়ে ২৮ টা প্লাষ্টিকৰ টেমাত কমেও ৩৬ গ্ৰাম ব্ৰাউন ছুগাৰ, ৭টা চিৰিঞ্জ, নগদ ধন আৰু দুখন বাহন জব্দ কৰে। ঘটনা সংক্ৰান্তত চাৰিজন লোকক আটক কৰি সোধাপোছা কৰি থকা হৈছে।

০০০০০০

ভাৰত-বাংলাদেশ সীমান্তৰ মানকাচৰৰ জিৰো লেণ্ডত দুজন শিশু আৰু এগৰাকী মহিলা সহ মুঠ ৯ জন বাংলাদেশী নাগৰিক তিনিদিন ধৰি আবদ্ধ হৈ আছে। কামৰ সন্ধানত ভাৰতত অবৈধভাৱে প্ৰৱেশ কৰি আৰক্ষীৰ হাতত ধৰা পৰাৰ পিছত তেওঁলোকক সীমান্তত পুচবেক কৰা হয়, যদিও বাংলাদেশ সীমান্তৰক্ষী বাহিনীয়ে তেওঁলোকক নিজ দেশত পুনৰ প্ৰৱেশৰ অনুমতি দিয়া নাই। সীমান্তত আৱদ্ধ হৈ থকা বাংলাদেশী নাগৰিক কেইজনে আজি সাংবাদিকৰ কেমেৰাৰ সন্মুখত নিজৰ পৰিচয় প্ৰকাশ কৰি বাংলাদেশৰ নাগৰিক বুলি স্বীকাৰ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অভিলেখ সংখ্যক সুদীৰ্ঘ ১২ বছৰীয়া কাৰ্যকাল সম্পূৰ্ণ হোৱা উপলক্ষে দেশৰ অন্যান্য প্ৰান্তৰ লগতে নগাঁও জিলাতো খণ্ড পৰ্যায়ত তিনি দিনীয়া জনসেৱামূলক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সেই অনুসৰি পৰহিলৈৰ পৰা ২০ জুনলৈ জিলাখনৰ ১৩টা উন্নয়নখণ্ডৰ এলেকাৰ প্ৰতিটোতে এটাকৈ তিনি দিনীয়া জনকল্যাণ শিবিৰ অনুষ্ঠিত হ'ব। এই শিবিৰসমূহত কেন্দ্ৰ তথা ৰাজ্য চৰকাৰৰ যিকোনো আঁচনিৰ সুফল লাভৰ পৰা বঞ্চিত লোকসকলে আবেদন কৰিলে তেওঁলোকক যোগ্যতাৰ ভিত্তিত যথাসম্ভৱ শীঘ্ৰে আঁচনিৰ সুবিধা প্ৰদান কৰা হ'ব। এই শিবিৰসমূহ সুচাৰুৰূপে চলাবলৈ কালি নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা আয়ুক্ত দেৱাশিষ শৰ্মাৰ সভাপতিত্বত এখন প্ৰস্তুতি বৈঠক অনুষ্ঠিত হৈ যায়। জিলা আয়ুক্তগৰাকীয়ে জন হিতকাৰী আঁচনি ৰূপায়ণ কৰি থকা বিভিন্ন বিভাগক শিবিৰত একোখনকৈ বিপণী স্থাপন কৰি আঁচনিসমূহৰ বিষয়ে জনসজাগতা সৃষ্টি কৰাৰ লগতে আঁচনিৰ সুবিধা উপযুক্ত আবেদনকাৰীক ঠাইতে প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে।

ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত জনকল্যাণ শিবিৰৰ প্ৰস্তুতি সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা আৰু সমন্বয় সভা অনুষ্ঠিত হয়। বৈঠকত জিলাখনৰ আটাইকেইটা বিধানসভা সমষ্টিতে পৰহিলৈৰ পৰা ২০ জুনলৈ হ'বলগীয়া জনকল্যাণ শিবিৰ আৰু জন সচেতনতা প্ৰদৰ্শনীৰ সফল ৰূপায়ণৰ বাবে বিতং পৰিকল্পনা কৰা হয়।

০০০০০০

কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে স্নাতক পৰ্যায়ৰ চিকিৎসা বিজ্ঞানৰ বিভিন্ন পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে পুনৰবাৰ হ'বলগীয়া নীট পৰীক্ষাৰ নিৰাপত্তা তথা প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে কালি এখন উচ্চ

পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰে। তেওঁ পৰীক্ষাৰ্থীসকলৰ সুবিধা, নিৰাপত্তা ব্যৱস্থা আৰু পৰীক্ষা প্ৰক্ৰিয়াৰ সংহতিত বিশেষ গুৰুত্ব প্ৰদান কৰি ৰাজ্য চৰকাৰসমূহে গ্ৰহণ কৰা ব্যৱস্থাৰ বুজ লয়।

বৈঠকত গৃহ সচিবগৰাকীয়ে ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰ আৰু প্ৰতিটো কেন্দ্ৰীয় সংস্থাক পৰীক্ষা সম্পৰ্কীয় নিৰাপত্তাৰ বিধি মানি চলাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অহা ২১ জুনত পুনৰ হ'বলগীয়া চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা-নীটৰ প্ৰৱেশ পত্ৰ মুকলি কৰিছে। পৰীক্ষাৰ্থীসকলে NTA-ৰ ৱেবছাইট neet.nta.nic.in-ৰ পৰা তেওঁলোকৰ প্ৰৱেশ পত্ৰসমূহ ডাউনলোড কৰিব পাৰিব। ২১ জুনত দিনৰ ২ বজাৰ পৰা ৫ বাজি ১৫ মিনিটলৈ পৰীক্ষা অনুষ্ঠিত হ'ব।

০০০০০০

চলিত ফিফা বিশ্বকাপ ফুটবলৰ যোৱা নিশা অনুষ্ঠিত তিনিওখন খেলেই ড্ৰ ৰূপে সমাপ্ত হয়। মিয়ামিত হোৱা গ্ৰুপ-এইচৰ খেলত পূৰ্বৰ চেম্পিয়ন উৰুগুৱে চৌডি আৰবৰ লগত ১-১ গ'লত ড্ৰ খেলাৰ বিপৰীতে এই গ্ৰুপৰে আন এখন খেলত প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা দ্বীপ ৰাষ্ট্ৰ কেপভাৰ্ডেই কালি স্পেইনৰ সৈতে গ্ৰুপ-এইছৰ এখন খেল গ'লশূন্যভাৱে সমাপ্ত কৰি চমক সৃষ্টি কৰিছে। ইফালে গ্ৰুপ-জিৰ বেলজিয়াম আৰু ইজিপ্তৰ মাজৰ খেলখনো ১-১ গ'লত ড্ৰ হয়।

এই গ্ৰুপৰে আজি পুৱা অনুষ্ঠিত ইৰান আৰু নিউজিলেণ্ডৰ খেলখনো ২-২ গ'ল ড্ৰ হয়।

বিশ্বকাপৰ আজি হ'বলগীয়া খেলত ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত দুবাৰৰ চেম্পিয়ন ফ্ৰান্সে ছেনেগালৰ মুখামুখি হোৱাৰ বিপৰীতে পুৱতি নিশা চাৰে তিনি বজাত ইৰাকে নৰৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

**সমাপ্ত**